# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 06-02-2026 **Time :** 1100 Hrs.

0000000000

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰৰ তাছখাইত ছুটাংগাত কয়লা খননৰ সময়ত ব্যৱহৃত ডিনামাইটৰ বিস্ফোৰণৰ ফলত পাহাৰৰ অংশ খহি পৰা ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১৮লৈ বৃদ্ধি পাইছে। খনিৰ ভিতৰত এতিয়াও ভালেসংখ্যক লোক আবদ্ধ হৈ আছে। ইয়ালৈ চাই মৃতকৰ সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। নিহতসকলৰ ভিতৰত অসমৰ তিনিজন শ্ৰমিক আছে বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। যোৱা নিশা গুৱাহাটীত এটা দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে মেঘালয়ত নিহতসকলৰ ভিতৰত তিনিজন কাছাৰৰ কাটিগড়াৰ বুলি নিশ্চিত কৰিব পৰা হৈছে বুলি মন্তব্য কৰে। ডঃ শৰ্মাই কয়, যে তেওঁ বিধায়ক কমলাক্ষ দে পুৰকায়স্থ আৰু মন্ত্ৰী কৌশিক ৰয়ক নিহত শ্ৰমিকৰ বাসগৃহলৈ যোৱাৰ পৰামৰ্শ দিছে। শ্ৰমিক তিনিজনৰ পৰিয়াললৈ ৫ লাখ টকাকৈ আগবঢ়োৱাৰ কথাও তেওঁ ঘোষণা কৰে।

*(বাইট )*

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মৃত শ্ৰমিকৰ সবিশেষ জনাবলৈ মেঘালয় চৰকাৰক আহ্বান জনোৱা হৈছে। তেওঁ কয়, যে অসম আৰু মেঘালয়ৰ মুখ্য সচিবদ্বয়ে এই বিষয়ত পৰস্পৰৰ যোগাযোগত আছে।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হৈছে। পুৱা নিকাকৰণেৰে অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পাছতে প্ৰাতঃপ্ৰসংগ, নাম প্ৰসংগ, গছপুলি ৰোপণ, মূৰ তোৰণ উন্মোচন, নামঘৰৰ তোৰণ উন্মোচন, শৰণ সমিতিৰ বৈঠক, মূল সমিতি আৰু আদৰণি সমিতিৰ কাৰ্যালয় উন্মোচনকে ধৰি একাধিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লাখ লাখ ভকত-বৈষ্ণৱৰ সমাগমেৰে অঞ্চলটো মুখৰ হৈ পৰিছে। অধিৱেশনস্থলীত মথুৰা পাগৰ আৰ্হিত নিৰ্মাণ কৰা মূল তোৰণ, বাৰে চহৰীয়া ভাওনাৰ মণ্ডপ, চক্ৰবেহু আৰু স্বদেশী মেলাই দৰ্শনাৰ্থীৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

এইবাৰৰ অধিৱেশনত কুৰি খনৰো অধিক গ্ৰন্থ উন্মোচন কৰা হ'ব। অধিৱেশনত ছখন অংকীয়া ভাওনাৰো প্ৰদৰ্শন কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অধিৱেশনত অংশগ্ৰহণ কৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি তিতাবৰত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰিব। এই উপলক্ষে ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ খেল-পথাৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মহিলা আত্মসহায়ক গোটৰ ৩৪ হাজাৰ সদস্যাক ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক ধনৰাশি প্ৰদান কৰিব।

০০০০০০০

কামৰূপ আৰু কামৰূপ মহানগৰ জিলাত কাইলৈ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। যুৱ সৱলীকৰণেৰে আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ লক্ষ্যৰে ৰূপায়ণ কৰা এই অভিযানৰ অধীনত উদ্যোগীসকললৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। এই উপলক্ষে খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। কাইলৈ কামৰূপ জিলাৰ তিনিহাজাৰ ৭১০ গৰাকী আৰু কামৰূপ মহানগৰ জিলাৰ এহেজাৰ ৮৬২ গৰাকী উদ্যোগীয়ে প্ৰথম কিস্তিৰ ধনৰাশি লাভ কৰিব।

০০০০০০০

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত গোৱালপাৰা জিলাৰ মাকৰিৰ ৰেন্দু পেন্দু পাহাৰত আজিৰেপৰা তিনিদিনীয়াকৈ ৰাভা-হাছং সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহৰ জৰিয়তে ৰাভা জনগোষ্ঠীৰ উপৰি বড়ো, গাৰো, নেপালী, হাজং, ৰাজবংশী আদি জনগোষ্ঠীৰ কলা-কৃষ্টিসমূহ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস চলাই অহা হৈছে। এই সাংস্কৃতিক সমাৰোহত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকনৃত্য প্ৰদৰ্শন কৰা হ'ব। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব।

০০০০০০০

বিধানসভা নিৰ্বাচন সমাগত। ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচন কেন্দ্ৰীক তৎপৰতা বৃদ্ধি পাইছে। ৰাজ্যৰ নিৰ্বাচনী আলেখ-লেখ সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰথমটো দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ কামৰূপ মহানগৰ জিলাৰ সংবাদদাতা হেমন্ত কুমাৰ বৰা আৰু সাংবাদিক যদুমণি শইকীয়াই ষ্টুডিঅ'ত থাকি বিভিন্ন জিলাৰ কেইবাগৰাকীও সংবাদদাতাৰ পৰা নিৰ্বাচনৰ আলেখ-লেখ ল'ব। এই অনুষ্ঠান মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফে'ইচবুক পেজ আৰু ইউটিউব চেনেল যোগেও প্ৰচাৰিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা পৰীক্ষাপে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰে। এইবাৰৰ সংস্কৰণত শিক্ষাৰ্থীসকলক পৰীক্ষাৰ সময়ত মানসিক চাপৰ পৰা মুক্ত হৈ থকাত সহায় কৰা আৰু একাত্মচিত্তে শিক্ষা গ্ৰহণত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০০

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৰ হাহিমত কালি পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভাই দুখন সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ পুঁজিৰে মৌচোৰা আৰু লালমাটি গাঁৱত এই স্থায়ী মঞ্চ দুখন নিৰ্মাণ কৰা হৈছে। অসম-মেঘালয় সীমান্তৱৰ্তী গাঁওসমূহৰ সামুহিক উন্নয়নৰ বাবে পৰিষদীয় পুঁজিৰে এনে উন্নয়নমূলক কাম-কাজ কৰি অহা হৈছে বুলি অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

যোৰহাটৰ এগৰাকী বিশিষ্ট চিকিৎসক ডাঃ অমিয় কুমাৰ শৰ্মাৰ আজি পুৱা এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। চোলাধৰা নিবাসী চিকিৎসকগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০০

**সমাপ্ত**